


Scanned with OKEN Scanner

# শিপা

হাতেলিখা আলোচনী
অসমীয়া বিভাগ
শিৱসাগৰ ছোৱালী কলেজ
২০১৬ বৰ্ষ

Scanned with OKEN Scanner



# উৎসৰ্গা

সশ্ৰদ্ধ প্ৰণিপাতেৰে প্ৰতিজন জ্ঞানপিপাসু, শিপাই স্পৰ্শ কৰা প্ৰতিগৰাকী সাহিত্যানুৰাগী পাঠক আৰু দেশৰ ভৱিষ্যত নিৰ্মাতা সকলোলৈকে .....

— সম্পাদনা সমিতি

# শুভেচ্ছাবাণী

অসমীয়া বিভাগৰ ছাত্ৰীসকলৰ আলোচনী তৃতীয় বছৰৰ বাবে প্ৰকাশ পাইছে 'দিশা'। দিশা – অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সংযোগ। দিশা সামুটি আমাৰ ছাত্ৰী-সকল আকাশ ছুঁই আগুৱাই যাওক —

বহুতো মৰম আৰু শুভকামনাৰে —


ৰশ্মিৰেখা দলৈ

(ড° ৰশ্মিৰেখা দলৈ)

অসমীয়া বিভাগ

শিৱসাগৰ ছোৱালী কলেজ

# সম্পাদকীয়......

নমস্কাৰ, সম্পাদকীয়ৰ আৰম্ভণিতে 'শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে সেৱা আগবঢ়োৱা প্ৰতিজন ব্যক্তিকে সশ্ৰদ্ধ সোঁৱৰণ কৰিছো। 'শিপা'ৰ জন্মৰ আঁৰত থকা সকলোলৈকে, কলেজৰ অধ্যক্ষ মহোদয়া, অসমীয়া বিভাগৰ ছাৰ-বাইদেউ আৰু সমূহ অসমীয়া বিভাগৰ ছাত্ৰীলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সাহিত্যৰ এটা উল্লেখযোগ্য শাখা হ'ল-'আলোচনী।' যান্ত্ৰিক পৃথিৱীত আধুনিকতাই গ্ৰাস কৰা মানুহৰ ব্যস্ত জীৱনত আলোচনীৰ গুৰুত্ব দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। যিহেতু, কম সময়ত আৰু কম পৰিসৰত অধিক জ্ঞান লাভৰ ইচ্ছা সকলো মানুহৰ ক্ষেত্ৰতে লক্ষণীয়। এখন আলোচনীত সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আদি বিভিন্ন দিশৰ চিন্তা-চৰ্চা আগবঢ়োৱা হয়। তাৰোপৰি, এখন আলোচনীত সাহিত্যৰ বিভিন্ন ভাগসমূহ- কবিতা, গল্প, প্ৰবন্ধ, বিভিন্ন আলোচনা, ৰম্য ৰচনা, জীৱনী আদি সন্নিৱিষ্ট কৰা হয়। আলোচনী এখনৰ সফলতা নিৰ্ভৰ কৰে লেখক আৰু পাঠকৰ ওপৰত। বৰ্তমান সময়ত দেখা যায় পাঠকৰ গুৰুত্ব বাঢ়ি অহাৰ বিপৰীতে লেখকৰ লিখাৰ প্ৰতি আগ্ৰহ কমি আহিছে। বস্তুবাদী পৃথিৱীয়ে মানুহক সাহিত্য চৰ্চা কৰিবলৈ আহৰি নোপোৱা কৰিছে। উল্লেখনীয় যে উৎসৱ-পাৰ্বণত প্ৰকাশিত একোখন আলোচনীয়ে সাহিত্যৰ বিকাশৰে ইংগিত দিয়ে লগতে, উৎসৱসমূহৰ তাৎপৰ্য দ্বিগুণ বৃদ্ধি কৰিব পাৰে। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ কৰকমলত সেৱা জনাই আৰু সৰস্বতী পূজাৰ শুভ-কামনাৰে সকলোলৈকে অসমীয়া বিভাগৰ হাতেলিখা আলোচনী 'শিপা' আগবঢ়ালো....

ধন্যবাদ

— বৰ্ণালী গগৈ
সম্পাদক 'শিপা'

Scanned with OKEN Scanner

# সম্পাদনা কক্ষ

উপদেষ্টা : অসমীয়া বিভাগৰ শিক্ষাগুৰুসকল

সম্পাদনা : বৰ্ণালী গগৈ সহকাৰী : মৌতৃষ্ণা কোঁৱৰ

বেটুপাত : হিমাদ্ৰী বৰা

অলংকৰণ : জয়া ৰজক, জোৎস্না বনীয়া

অনুলিখন : বৰ্ণালী গগৈ,
আচফি বেগম,
চামিমা বেগম

সদস্যা : সোণমণি ভাগৱতী, পূজা ৰয়,
বৰ্ষা দিহিঙ্গীয়া, ৰিয়া তবচ্ছুম
হেমা বসুমতাৰী

কৃতজ্ঞতা স্বীকাৰ : অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰীসকল, আলোচনীখনৰ বাবে কলম ধৰা প্ৰতিপৰাকী, প্ৰেচৰ কৰ্মকৰ্তা, জিতা শইকীয়া, চিমি গগৈ আৰু 'শিপাৰ' আঁৰৰ প্ৰতিজনলৈ....

# সূচীপত্ৰ


প্ৰবন্ধৰ শিতান পৃষ্ঠা নং

বৈষ্ণৱ যুগৰ মহামিলনৰ প্ৰতীক স্বৰূপ ভাওনা – ১

কিতাপ পঢ়াৰ আনন্দ – ৩

বৰ্তমান সমাজত নাৰীৰ মৰ্যদা – ৬

পৃথিৱীৰ ভিতৰত বৃহত্তৰ জীৱন্ত বৃক্ষ 'জেনেৰেল শ্বেৰমেন – ৯

অসমৰ কৃষি উৎসৱৰ লগত জড়িত লোকাচাৰ - ১১

ডিপ্ৰেচন! আঁতৰাবলৈ কি কৰিব – ১৪

বিহুগীতত প্ৰেমৰ চিত্ৰণ – ১৫

নিৰ্যাতিত নাৰীক লৈ মোৰ কিছু কথা – ১৮

কাব্য পৃথিৱী ....... ২১ – ৩২

'অৰণ্য মানৱৰ সান্নিধ্যত.... ৩৩

জাননে ? .... ৩৬

কৌতুক .... ৩৭

গল্প ........ ৩৮ – ৪৮

অনুভৱৰ কৰাণি


শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী হিচাপে কিছু অনুভৱ – ৫০

আখালৈ মনত পৰে – ৫২

অবিশ্বাস্য সত্য ..... ৫৪

# প্ৰবন্ধৰ শিতান






Scanned with OKEN Scanner

# বৈষ্ণৱ যুগৰ মহা মিলনৰ প্ৰতীক স্বৰূপ ভাওনা

শংকৰদেৱ আছিল বৈষ্ণৱ যুগৰ প্ৰৱৰ্তনকাৰী তেওঁ ধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ নামঘৰ সাজিলে আৰু এই নামঘৰত ভাওনাপাতি গাঁৱৰ লোক সকলক একত্ৰিত কৰি মহামিলনৰ সুঁতি এটা সৃষ্টি কৰিছিল। শংকৰদেৱৰ ভাওনাৰ মূল উদ্দেশ্য আছিল ভগৱানৰ শ্ৰী কৃষ্ণ বা প্ৰভু শ্ৰী ৰামৰ গুণানুকীৰ্তন কৰা। ভগৱানৰ জৰিয়তে তেওঁ অসমীয়া জনসাধাৰণ ভগৱানৰ প্ৰতি অগাধ বিশ্বাস কৰিবলৈ শিকাইছিল। তেওঁৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম সত্ত তেওঁ কাৰোৰে প্ৰতি বিভেদ ৰাখিৰ বিচৰা নাছিল। জাতি-ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে সকলো লোকে সমূহীয়া ভাৱে ভাওনাত অংশ গ্ৰহণ কৰিব পাৰিছিল। শংকৰদেৱে সৰু - বৰ, উচ্চ-নীচ আদি সকলো লোকক সমান মৰ্যাদা প্ৰদান কৰিছিল। শংকৰদেৱে ভাওনাৰ জৰিয়তে সকলো লোকক এই বাণী প্ৰচাৰ কৰিছিল যে, বিশ্বব্ৰহ্মাণ্ডৰ পৰাৎপৰ ভগৱান প্ৰভু শ্ৰীহৰি আৰু মি সকলে এই হৰিৰ চৰণত মন প্ৰাণ সঁপি দিয়ে তেওঁৰেই হই সংসাৰৰ পৰা মুক্তি লাভ কৰিবলৈ সক্ষম হয়। ভাওনা মহামিলনৰ প্ৰতীক স্বৰূপ। চাৰি, পাঁচ জন গাঁৱৰ মানুহ লগ

লাগে উৎসৱৰ আয়োজন কৰে, তাৰ ফলত গাঁৱৰ জনসাধাৰণৰ মাজত পাৰস্পৰিক সদ্ভাৱ, মিলা-প্ৰীতি, আৰু একতাৰ ভাৱসমূহ বৃদ্ধি পায়। উৎসৱৰ জৰিয়তে ভক্ত সকলৰ সমবেতভাৱে নিজ নিজ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি পৰমাত্মা বা শ্ৰী হৰিৰ লগত মিলিত হোৱাৰ সুযোগ লাভ কৰে।

মিচ্ তাহমিনা বেগম
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

Scanned with OKEN Scanner

# কিতাপ পঢ়াৰ আনন্দ

বৰ্তমান কৰ্মব্যস্ত পৃথিৱীখনৰ কম-বেছি পৰিমাণে সকলো মানুহেই হৈ পৰিছে যান্ত্ৰিক, আত্মকেন্দ্ৰিক তথা নিসংগ কাৰোবাৰ মনৰ কথা কাৰোবাক খুলি কবলৈ বা কোনোবাই আন্তৰিকতাৰে শুনিবলৈ কাৰো যে আহৰি নাই। সকলোৱে নিজৰ স্বাৰ্থ, প্ৰয়োজনক লৈয়ে ব্যস্ত। মানৱ জীৱনৰ পৰা আৰম্ভ কৰি জীৱ-জন্তু তথা ক্ষুদ্ৰতম প্ৰাণীলৈকে সংগৰ অতিকৈ প্ৰয়োজন।

বৰ্তমান যুগত বৈজ্ঞানিক অৱদান হিচাপে টি. ভি., ৰেডিঅ', কম্পিউটাৰ, ইন্টাৰনেট আদি নানা আমোদ-প্ৰমোদৰ সামগ্ৰী থাকিলেও এই সমূহে আমাৰ সম্পূৰ্ণ নিসংগতাখিনি দূৰ কৰিব নোৱাৰে। মনৰ প্ৰকৃত পৰিতুষ্টি যোগান ধৰিবলৈ অসমৰ্থ। এই সমূহ কেৱল সাময়িক মনোৰঞ্জনৰ সামগ্ৰীহে। বৰ্তমানৰ পৃথিৱীত মানুহে যদি মানুহক লগ দিব নোৱাৰে, ক্ষন্তেক মনৰ কথা পাতিব নোৱাৰে তেন্তে আজিৰ সময়খিনিত আমাৰ আপোন সংগী হব পাৰে, কিতাপ হৈছে আমাৰ সকলোতকৈ পৰম বন্ধু।

দিনটোৰ বেছিভাগ সময় কৰ্মত ব্যস্ত হৈ থকাৰ পাছত আমাৰ ইন্দ্ৰিয়সমূহ আয়-অৱশ হৈ পৰে। যি ইন্দ্ৰিয়সমূহক জাগ্ৰত কৰি মন আৰু সুস্থ চিন্তা কৰিবলৈ সগতুক প্ৰেৰণা যোগায়। সঁচায়ে কিতাপ আমাৰ অতি প্ৰিয়-

বন্ধু, যি আমাক কেতিয়াও প্ৰতাৰণা নকৰে আৰু আমাৰ পৰা একো দাবীও নিবিচাৰে ;এনে বন্ধু আমাৰ আটাইতকৈ বিশ্বাসী ।

কিতাপ হৈছে জ্ঞান আহৰণৰ একমাত্ৰ আহিলা যি আমাৰ ভৱিষ্যত পথপ্ৰদৰ্শকো। একো জন কিতাপ মানৱ প্ৰযত্নৰ অতি চিৰস্থায়ী ফল। কেৱল জ্ঞান অৰ্জনৰ বাহিৰেও আনন্দ লাভৰ বাবেও আমি কিতাপ পঢ়োঁ। কিতাপ পঢ়ি পোৱা আনন্দৰ নিচিনা আনন্দ আৰু একোৱেই হ'ব নোৱাৰে। সেয়ে নিত্যৰ পাঠ্যপুথিত আবদ্ধ নাথাকি আজিৰ পৰত আমি বাহিৰা বিভিন্ন আলোচনী যেনে - মৌচাক, সঁফুৰা, মুকুতা, প্ৰান্তিক আদি পঢ়িব লাগে। ইয়াৰ উপৰিও বিভিন্ন জন গুণী- মানী ব্যক্তিৰ জীৱনী, গল্প, কবিতা, নাটক আদি অধিক পৰিমাণে অধ্যয়ন কৰিব লাগে। এই সমূহে আমাক আনন্দৰ খোৰাক যোগোৱাৰ লগতে শিক্ষা-ৰ্থী জীৱনত আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণাও যোগায়।

গ্ৰন্থ বা কিতাপ পঢ়াৰ ক্ষেত্ৰত গ্ৰন্থৰ নিৰ্বাচনটোও মুখ্য কথা। আমি যিহেতু অৱসাদ আঁতৰাই মনটোক বিমল আনন্দৰে ভৰাই তুলিব বিচাৰোঁ, তেনে ক্ষেত্ৰত অতি বেছি মূল্যবান তাত্ত্বিক তথ্যৰে ভৰপূৰ কিতাপ এখন কিনি অৰ্থ আৰু সময়ৰ অপব্যয় কৰা প্ৰয়োজন নাই। কাৰণ, এনে তাত্ত্বিক তথ্যসমৃদ্ধ কিতাপে সকলো সময়তে আমাক আনন্দ দিব নোৱাৰে। কেতিয়াবা বাতৰি-কাকত, আলোচনীত প্ৰকাশ পোৱা অতি ৰসাল-লেখনিয়েও সাময়িক ভাৱে আমাক আনন্দ দি যায়। এনে ক্ষণিক আনন্দ চিকিৎসকে ৰোগীক

স্বাস্থ্য ৰক্ষাৰ বাবে ক্ৰিয়া দৈনিক কৰে।

শেষত আমি ইয়াকে কব খোজো যে কিতাপ হৈছে আমাৰ অন্তঃহীন প্ৰেৰণাৰ উৎস, যিয়ে আমাৰ কামত আজীৱন অকৃত সাৰথি হিচাপে থিয় হৈ আমাৰ নিসংগতাত সংগ দি বিপুল আনন্দ প্ৰদান কৰে। সেয়ে আমি সকলোৱে কিতাপ পঢ়াৰ আনন্দখিনি উপভোগ কৰো আহক।

শ্ৰী জ্ঞানমণি গগৈ
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ।

# বৰ্তমান সমাজত নাৰীৰ মৰ্যদা

'নাৰী' এই শব্দটো দুটা আখৰৰ। এই নাৰীক ছলনাময়ী বুলি কয়। কিন্তু নাৰী ছলনাময়ী নহয়। নাৰীয়ে হৈছে এই পৃথিৱীৰ সৃষ্টিৰ সাৰ্থকতা, যুগৰ পৰিবৰ্তনে নাৰীক মৰ্যদাহীন কৰিছে। নাৰী হৈছে এপাহ অতি আদৰৰ ফুল। নাৰী হৈছে দেৱী। সেই নাৰীকে হাঁহিয়তাৰ পাত্ৰ কৰি তুলিছে আজিৰ পুৰুষ সমাজে। এপাহ ফুলি থকা ফুল চিঙি দিলে যেনেকৈ তাৰ সুবাস নোহোৱা হয় ঠিক তেনেকৈ এগৰাকী নাৰীৰ গাত এজন পুৰুষে হাত দিলে সেই নাৰীৰ সিমানতে শেষ হৈ যায়। বৰ্তমান সমাজত দেখা পৈছে এগৰাকী নাৰীক এজন পুৰুষে বিয়া কৰাই নিয়ে। তাৰ দুদিনমানৰ পাছত লাহে লাহে যৌতুকত লাগি অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে। সকলো পুৰুষৰ ক্ষেত্ৰত নহয়। তথাপিও ১০০ শতাংশৰ ভিতৰত ২৫ শতাংশই পুৰুষেই এনেকুৱা কাৰ্যত লিপ্ত আছে।

Scanned with OKEN Scanner

দেখা গৈছে অপৰাধী নাৰী যেতিয়া ঘৰৰ পৰা বাহিৰ হয়, বিশেষ দূৰকাৰত অকলশৰে যাব লগা হ'ল, বাস্তাৰে গৈ থাকোতে সেই নাৰীৰ প্ৰতি পুৰুষসকলে যে উৎপাতৰ চলাই। কোনো নাৰী অৰ্থাৎ ছোৱালীয়েই হওক বা মহিলাৰীয়েই হওক নিচিন্তে মনেৰে কাঁতো চলা-ফুৰা কৰিব নোৱাৰা অৱস্থা বৰ্তমান সমাজত। প্ৰায়ে দেখা যায় কলেজ, টিউচন কৰিবলৈ যাওঁতে নাৰী নিৰ্যাতন চলোৱা এই বিলাক অত্যাচাৰ আজিৰ সমাজত বেছি ভাগ চলিছে। ইয়াৰ মুখ্য কাৰণ নিচাযুক্ত দ্ৰব্য সেৱন কৰাৰ ফলত। যি কি নহওক, নাৰীৰ প্ৰতি অলপ হ'লেও পুৰুষৰ শ্ৰদ্ধা থাকিব লাগে। নাৰী সমাজতো অলপ শিক্ষাৰ প্ৰয়োজন আছে। যদি পশ্চিমীয়া দেশ সমূহৰ সাজ-পাৰৰ লগত মিলাই সাজ পাৰ পিন্ধিলে পুৰুষৰ চকু যাবই। যিমানে যি হ'লেও অপৰাধী নাৰীৰ ওপৰত অজান পুৰুষৰ চকু যায়েই তেওঁ যিমানেই ভদ্ৰ হওক বা অভদ্ৰ হওক। গতিকে, নাৰীয়েও অলপ সাৱধান হোৱাতো আৱশ্যক তথাপিও দেখা যায় কিছুমান নাৰীয়ে পইচাৰ লগত নিজৰ দেহ বিক্ৰী কৰা এই বিলাক ঘৃণনীয় কাৰ্য আজিৰ সমাজত চলি আছে। এই বিলাকৰ পৰা বিৰত থকা উচিত। অকল যে পুৰুষৰ

গাতে দোষ সেইটো কোৱা নাই দোষ নাৰীৰো আছে । কিন্তু কিছুমান দোষ নথকা নাৰীকো মিছাই নিৰ্যাতন চলায় । কিছুমান পুৰুষৰ এই- উশৃংখল, অত্যাচাৰ এই সমাজত এতিয়াও চলি আছে । যদি পুৰুষ সকলে এই কাৰ্যৰ পৰা বিৰত থাকে হয়তো নাৰী সকলে অকলশৰে হলেও এই সমাজত সু নিশ্চিত ভাৱে চলা-ফুৰা কৰিব পাৰিব । সমাজ খনে যদি দোষীক শাস্তি দিয়ে, উশৃংখল যুৱক - যুৱতীসকল যদি শৃংখলাবদ্ধ হয় তেন্তে আজিৰ সমাজ খন সজাগ আৰু সচেতন হ'ব লাগে তেতিয়া বৰ্তমান সমাজত নাৰীয়ে পুৰুষৰ সমান মৰ্যদা পাব । কাৰণ এখন সুস্থ সবল সমাজ গঢ়ি তোলাত নাৰীৰ ভূমিকা কোনো গুণে কম নহয় । কাৰণ এগৰাকী নাৰীক যদি শিক্ষিত আৰু জ্ঞানী কৰি তোলাৰ অৰ্থই হৈছে এটা পৰিয়াল বা বংশক শিক্ষিত আৰু জ্ঞানী কৰি তোলা । গতিকে, বৰ্তমান সমাজত নাৰী পুৰুষৰ সমান হ'ব লাগে । আজিৰ যুগত মহিলাই পুৰুষৰ সমানে কাম কৰিব পাৰে ।

শ্ৰী অৰ্চিতা বড়া
চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ ।

# পৃথিৱীৰ ভিতৰত বৃহত্তৰ জীৱন্ত বৃক্ষ 'জেনেৰেল শ্বেৰমেন'

এই পৃথিৱীখন নানা ধৰণৰ প্ৰাণীৰ লগতে ভিন ভিন উদ্ভিদবো বসতিস্থল। এই উদ্ভিদবোৰে ৰূপ আৰু লাৱণ্যৰে পৰিপূৰ্ণ এই জগতখনৰ নান্দনিক দিশটো প্ৰকট হোৱাৰ ক্ষেত্ৰতো বিশেষভাৱে সহায় কৰিছে।

এইখন পৃথিৱীতেই 'উদ্ভিদ প্লৱক'ৰ দৰে জলাশয়ত ওপঙি থকা ক্ষুদ্ৰভাৱে পোৱা উদ্ভিদৰ পৰা আৰম্ভ কৰি 'জেনেৰেল শ্বেৰমেন'ৰ দৰে বৃহত্তম বৃক্ষলৈকে জন্ম দিছে। বহুদিন ধৰি মানুহৰ মনত এনে এটা ধাৰণা আছিল যে এই 'জেনেৰেল শ্বেৰমেন' হয়তো ২০০০ বছৰ বয়সীয়া এজোপা বৃক্ষ। আকৌ আন কোনো কোনো লোকে এই গছজোপাৰ বয়স ৬০০০ ৰ পৰা ১১,০০০ বছৰ পৰ্যন্ত হ'ব বুলিও ভাবিছিল। কিন্তু বৈজ্ঞানিক সকলে ২০০২ চনৰ পৰাই এই বিষয়ে নিৰন্তৰে কৰা গৱেষণাৰ ফলত এই সিদ্ধান্তত উপনীত হ'ব পৰা হৈছে যে এই বৰ্তমান বয়স প্ৰায় ২০০০ বছৰ।

বৃহত্তাকাৰৰ এই গছ বোৰক 'চিকুঅইয়া' বুলিও জনা যায়। তনতীজতে বহুবয়সীয়া এই গছবোৰ কাটি পেলোৱা হৈছিল আৰু এইদৰে কাটি গছবোৰৰ বয়স নিৰ্ণয় কৰা হৈছে যে এনে ধৰণৰ কিছুমান গছৰ বয়স হয়তো ৪০০০ বছৰ পৰ্যন্ত হ'ব পাৰে।

এই প্ৰজাতিৰ বেছিভাগ গছেই মৃত কাঠৰ দ্বাৰা গঠিত। ২০০৬ চনৰ এটা ঘটনাৰ বিষয়ে জনাব বিচাৰিছো। সেই বছৰতেই অহা এক প্ৰচণ্ড ধুমুহাত 'জেনেৰেল শ্বেৰমেন'ৰ এটা প্ৰকাণ্ড ডাল ভাঙি মাটিত পৰাত ইয়াৰ ওচৰ পাজৰৰ বহু ঠাইৰ ক্ষয়-ক্ষতি হৈছিল। এই ডালটোৱে যথেষ্ট ঠাই অধিকাৰ কৰিছিল। গছজোপাৰ এই ডালটো ভাঙিলেও অস্তিত্বৰ কোনো ক্ষয়-ক্ষতি নহ'ল। বৰঞ্চ 'জেনেৰেল শ্বেৰমেন' এই গছজোপা সাম্প্ৰতিক কালত পৃথিৱীৰ বৃহত্তম জীৱন্তবৃক্ষ হিচাপে পৰিগণিত হৈছে।

শ্ৰী অন্তৰা শৰ্মা
চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

# অসমৰ কৃষি উৎসৱৰ লগত জড়িত লোকাচাৰ

লোকবিশ্বাস হৈছে পৰম্পৰাগতভাৱে জনসমাজত প্ৰচলিত কিছুমান ধ্যান-ধাৰণা। লোকবিশ্বাস সৃষ্টিৰ কাৰণ ব্যাখ্যা কৰা জটিল। সমাজত লোক-বিশ্বাস পৰম্পৰাগতভাৱে চলি থাকে। লোকবিশ্বাসে সাধাৰণতে চহা, নিৰক্ষৰ লোকৰ মাজত বেছিকৈ প্ৰাধান্য লাভ কৰা দেখা যায়।

বিভিন্ন দৃষ্টিকোণৰ পৰা, লোকবিশ্বাসসমূহক ভাগ কৰা হয়। তাৰে কিছুমান ভাগ হ'ল – (১) ধৰ্ম সম্পৰ্কীয় লোকবিশ্বাস, (২) জন্ম-মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস, (৩) জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস, (৪) কৃষিভিত্তিক লোকবিশ্বাস, (৫) বিবিধ উৎসৱ-অনুষ্ঠানৰ লগত জড়িত লোকবিশ্বাস, (৬) খেল-ধেমালিৰ লগত জড়িত লোক-বিশ্বাস, (৭) বিবিধ লোকবিশ্বাস আদি।

অসমীয়া মানুহ প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল হোৱাহে, কৃষি সম্বন্ধীয় বহুতো লোকবিশ্বাস পোৱা যায়। অসমীয়া মানুহৰ প্ৰধান খেতি ধান। ধানখেতি কৰিবলৈ হাল বাওঁতে প্ৰথমদিনা পূবমুৱা বা দক্ষিণমুৱাকৈ হালজোৰা নিয়ম। শস্য যাতে লহপহকৈ বাঢ়ে, তাৰবাবে বহুতো আচাৰ-অনুষ্ঠান পালন কৰা হয়। একাদশী, পূৰ্ণিমা, অমাৱস্যা, দোমাহী, পূজা, আদিত হাল খতি কৰাৰ নিয়ম। পথাৰত কঠীয়া বোৱাৰ শেষৰ দিনাখন বোৱনীয়ে পথাৰত তিনিমুঠি জোঙৰ জোঙৰ গোছাৰে পথাৰত ভঁৰাল সাঁজি কঠীয়া বোৱা সামৰণি মাৰে। খেতিত পোক-পৰুৱাই নধৰিবৰ বাবে পচ আদি পোতা হয়। আহুধান পুহ-মাঘ, শালিধান জেঠ-আহাৰ মাহত কৰিব লাগে। খেতি চপোৱাৰ আগতে ভাল দিন চাই

আগ অনা নয়। কঠীয়াৰ বাবে থোৱা ধানৰ মৰণা মাৰিব নাপায়। হালবোৱাৰ বাবেও আপতীয়াকৈ তিথি বাৰ চাই লোৱাৰ নিয়ম। ভঁৰালত শস্য সঞ্চয় কৰা সম্বন্ধেও অনেক বিশ্বাস আছে। ঋতুমতী অৱস্থাত তিৰোতাৰ ভঁৰাল ঘৰত প্ৰৱেশ নিষেধ। গা-নোধোৱাকৈও ভঁৰাল চুব নাপায়। নতুন ধানৰ চাউলেৰে গৰা প্ৰসাদ দি খাইজক লগোৱাটো নিয়ম। সেইবাবে ধান দোৱা শেষ হোৱাৰ পিছত অসমীয়াই ন-খোৱা পাতে। কৃষিৰ সা-সঁজুলিক লৈও বহুতো বিশ্বাস জড়িত হৈ আছে।

ভাদ-আহিন মাহত মাহ খেতি কৰিব লাগে। আনহাতে, কলপুলি ভাদ মাহত ৰুব নাপায়। নাৰিকল খাই তামোল পুলি ৰুলে তামোলবোৰ হেনো খাবলৈ নাৰিকলৰ দৰে হয়। তামোল গছৰ পুলি তিনি-চাৰিবাৰ উঠাই ৰুলে চাপৰতে লাগে। তামোল ফাটি সৰিলে তামোল গছৰ গুৰিত গৰুৰ বেঁটা গোবৰ দিয়া হয়। নাৰিকলৰ প্ৰথম থোক ওলালে একে উশাহতে থোকটো কাটি দিয়া হয়। নাৰিকল গছত ফল নধৰিলে গাতে ফুটা এটা কৰি তাত চাকি জ্বলোৱা হয়। মাঘ বিহুত মেজিৰ বাঁহেৰে কঠাল, নাৰিকল, তামোল আদি গছত কোবালে বেছিকৈ ফল লাগে বুলি এটা বিশ্বাস আছে।

পাণ শাওন মাহত ৰুব লাগে। ঋতুমতী অৱস্থাত তিৰোতাই পাণ ছিঙা নিষেধ। ফাগুন, চ'তত বাঁহৰ গুৰিত মাটি দিব লাগে। বাঁহগছ চোতালৰ পূব আৰু দক্ষিণ দিশত ৰুব নালাগে। লাও, কোমোৰা, জিকা, ভোল আদি ৰোৱাৰ সময়ত ল'ৰা ছোৱালী বোকোচাত লৈ ৰুলে ফল প্ৰচুৰ পৰিমাণে লাগে বুলিও বিশ্বাস আছে।

এইবিলাকৰ উপৰিও শস্য পোকে খালে লখিমী সবাহ পাতি শলাহী বনাই নাশ হ'বলৈ প্ৰাৰ্থনা জনায়। লখিমী সবাহ বহাগ-জেঠ মাহত খেতিৰ আগে আগে পাতে। কিন্তু প্ৰথম শইচ আনিবৰ দিনা আৰু কেতিয়াবা বোৰা পোকে খালেও লখিমী সবাহ পাতি শইচ নদন-বদন হ'বৰ বাবে প্ৰাৰ্থনা জনোৱা হয়।

অসমত কৃষিৰ লগত জড়িত লোকবিশ্বাসৰ ভিত্তিত বিভিন্ন উৎসৱ উদ্‌যাপন কৰে। যেনে - মিচিংসকলৰ আলি-আই-লৃগাং, বড়োসকলৰ 'খেৰাই পূজা', নামনি অসমত 'মহোহো', 'হুচুমদেউৰ পূজা' আদি।

অসমৰ কৃষিভিত্তিক সমাজখনত বিভিন্ন লোক-বিশ্বাস প্ৰচলিত হৈ আছে। অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা এই লোকবিশ্বাসৰ লোক জীৱনৰ লগত ওতঃপ্ৰোত সম্পৰ্ক আছে। বিবিধ বিশ্বাসৰ আধাৰতে প্ৰধানকৈ এই উৎসৱ-অনুষ্ঠানসমূহে গা-কৰি উঠা দেখা যায়। উৎসৱ-অনুষ্ঠানসমূহৰ লগত নৃত্য-গীতৰ সম্পৰ্কও গুৰুত্বপূৰ্ণ। এই উৎসৱ-অনুষ্ঠানবোৰে জনসাধাৰণৰ মাজত ৰং-ৰহইচ, ভাৱ-বিনিময় কৰাৰ সুবিধা দিয়াৰ লগতে এইবোৰৰ জড়িয়তে সমাজত ঐক্য আৰু সম্প্ৰীতিৰ মনোভাৱ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

— হিমাশ্ৰী নেওগ
স্নাতক ২য় ষাণ্মাসিক।

Scanned with OKEN Scanner

# ডিপ্ৰেচন! আঁতৰাবলৈ কি কৰিব?

যিকোনো কাৰণত মানুহ ডিপ্ৰেচনৰ বলি হ'ব পাৰে। মনৰ এই বিষন্ন অৱস্থাৰ পৰা কিছুমান মানুহে অচৰ চাপে মনোযোগ বিশেষজ্ঞৰ। আনহাতে যি মানুহৰ ডিপ্ৰেচনৰ চূড়ান্ত পৰ্যায় পায়, কেতিয়াবা তেওঁলোকে আত্মহত্যাৰ পথো বাচি লোৱা দেখা যায়। মনৰ এনে অৱসাদৰ পৰা মুক্তি পাবলৈ আমি কৰিব লাগিব -

১। নিজকে কেতিয়াও দুৰ্বল বুলি ভাবিব নালাগে। মই এইটো কাম কৰিব পাৰিম জানো বা মই একো কামৰেই যোগ্য নহওঁ-এনে ধাৰণা মনৰ পৰা মচি পেলাব লাগে।

২। কাপোৰ-কানি আৰু বেশভূষাই সদায় মানুহৰ মনৰ জোৰ বঢ়ায়। সেয়েহে, চৌখিন নহলেও, জধলা হৈ থাকিব নালাগে।

৩। নিজকে সৰু বুলি ভাবিব নালাগে। কিন্তু নিজৰ সীমাবদ্ধতা সম্পৰ্কে সজাগ হ'ব লাগে।

৪। এটা কামত ব্যৰ্থ হ'ব বুলি হতাশ হ'ব নালাগে।

৫। মন বেয়া লাগিলে নিজৰ যিকোনো ভাল লগা গান শুনক।

৬। মনৰ সুখ-দুখৰ কথা পাতিবলৈ এজন বন্ধু থাকিব লাগে।

৭। নিশাৰ ভাগত যাতে ভাল টোপনি আহে সেয়া সদায় লক্ষ্য ৰাখিব লাগে।

— বিচিত্ৰা চেতিয়া
স্নাতক ৬ষ্ঠ ষান্মাসিক।

# বিহুগীতত প্ৰেমৰ চিত্ৰণ



ঋতু পৰিৱৰ্তনৰ চিৰাচৰিত নিয়মৰ মাজেৰে অসমৰ বুকুলৈ আহে বাপতি-সাহোন, হিয়াৰ আমঠু, সম্প্ৰীতিৰ বাৰ্তাবাহক চেনেহৰ বিহুটি। "বিহু অসমীয়াৰ প্ৰাণৰো আপোন- বিহু অসমীয়াৰ সাংস্কৃতিৰ দাপোন।" বিহু মূলত: কৃষিভিত্তিক উৎসৱ। কৃষিজীৱি মানুহৰ জীৱন আৰু সাংস্কৃতিৰ প্ৰকৃত প্ৰতিচ্ছবি বিহু উৎসৱৰ বিভিন্ন লোকাচাৰৰ মাজেৰে প্ৰতিফলিত হয়। ঠিক সেইদৰে, বিহুৰ নৃত্য-গীতসমূহো কৃষিজীৱি সমাজৰ আবেগ-অনুভূতি, প্ৰেম-প্ৰণয়ৰ স্বত:স্ফূৰ্ত প্ৰকাশ। বিহু পালনৰ সময়ত অসমীয়া জাতিটোৰ প্ৰতিগৰাকী নৰ-নাৰীয়ে, ডেকা-ডেকেৰী, লৰা-ছোৱালীয়ে আপোন-পাহৰা হয়। সকলো বিভেদ পাহৰি মৰম-চেনেহত এক হৈ পৰে, খোৱা-লোৱা, দিয়া-নিয়াৰ মহান আয়োজন কৰে।

বসন্ত ঋতুৰ আগমনৰ লগে লগে বৰলুইতৰ বিস্তীৰ্ণ দুয়োপাৰে বাস কৰা প্ৰতিজন অসমীয়াৰে মন-প্ৰাণ উতলা হয়। ডেকা-গাভৰুৰ হৃদয়ত প্ৰেমৰ জোৱাৰ উঠে। প্ৰকৃতিৰ অপৰূপ পৰিৱৰ্তনে সকলোকে উদ্বাউল কৰি তোলে। প্ৰকৃতি সদ্যস্নাতা গাভৰু হয়। ন-পানীৰ পৰশত পৃথিৱী জীপাল হয়। সৃষ্টিৰ উন্মাদনাই হাত

বাউলে দি মাতে। আনন্দত মুখৰিত হয় হৃদয়ৰ ভাষা! কুলি, কেতেকি, সখীয়তীৰ সুমধুৰ গীতৰ সুৰত আপোন বিভোৰ শিপিনীৰ হাতৰ মাকো ঘনে ঘনে সৰি পৰে — বিহুটি যে পালেহি! মনত পৰে প্ৰিয়জনলৈ — গামোচা বৈ আঁতৰৰ হ'ল! বিহুচেৰা তাঁত হেনো অমঙ্গলীয়া! প্ৰকৃতিৰ ৰমণীয় পৰিৱেশত বিহুৱলীয়া ডেকা-গাভৰুৱে মুকলি মনেৰে বিহু জোৰে। এনেদৰেই বিহুৰ নৃত্য-গীতৰ সৃষ্টি হোৱা বুলি এচাম গৱেষক-পণ্ডিতে কথ খোজে।

অসমীয়া সাংস্কৃতিৰ শ্ৰেষ্ঠ উপাদান বিহুগীত। এই বিহুগীতসমূহ ঘাইকৈ প্ৰেমমূলক। অসমৰ সমাজ, ইতিহাস, অৰ্থনীতি, ধৰ্ম, পৰম্পৰা, ৰীতি-নীতি, প্ৰেম-ভালপোৱা, যৌৱনৰ কামনা-বাসনা আদি সকলোৰে মূৰ্ত প্ৰকাশ ঘটে বিহুগীতবোৰৰ মাজেৰে। প্ৰেমৰ অন্তৰ্নিহিত ভাষাও ডেকা-গাভৰুসকলে বিহুগীতৰ মাজেৰে ফুটাই তোলে।

প্ৰেম স্বৰ্গীয়, চিৰশাশ্বত আৰু পবিত্ৰ। ঐশ্বৰিক শক্তিৰ অধিকাৰী ভগৱান শ্ৰীকৃষ্ণইও প্ৰেম কৰিছিল। সাধাৰণ মানুহৰ হৃদয়তনো প্ৰেমৰ বাসনা নাজাগিব কিয়? সেয়েহে বিহুগীতত পাইছে —

" প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে
তাৰ পিছৰ সৰজিলে জীৱ,
সেইজন ঈশ্বৰে পিৰীতি কৰিলে
আমিনো নকৰিম কিয়?"

প্ৰেমৰ আৱেগ-অনুভূতিৰ তীব্ৰতাই কোনো বাধা নামানি প্ৰিয়জনক কাষত পোৱাৰ কামনা

জগাই তোলে। প্ৰকাশ কৰে গীতৰ মাজত –

" হাঁহ হে চৰিমণে তোমাৰে পুখুৰীত
পাৰ হৈ পৰিমণে চালত,
ঘামে হে সোমামণে তোমাৰে শৰীৰত
মাখি হৈ চুমা দিম গালত।"

ঢোল- পেঁপা - গগণাৰ উপৰিও বিহুৱা ডেকাৰ গুঠৰ সুহুৰিয়ে গাভৰুৰ মনত উগুল- থুগুল লগায়। এনে সময়তে ঘৰৰ কাম আধাতে এৰি, গছকত যঁতৰ ভাঙি ঢপলিয়াই যায় আৰু গায় –

" তইনো কলীয়া অলিয়া- বলিয়া
মোকে কৰিপলি বাউল,
জালি কটা বেৰেদি সুহুৰি মাৰিলি
হোৱা ভাতক কৰিলি চাউল।"

চাৰি চকুৰ মিলনে ডেকা- গাভৰুৰ অন্তৰত অঙ্কুৰিত প্ৰেমৰ প্ৰথম ইংগিত বিহুগীতেই বহন কৰে –


"ওপৰে উৰিলে কালিন্দী ভোমোৰা
থিয় হৈ আছিলো চাই,
তোমাৰে আমাৰে পিৰীতি লাগিলে
চকুৱে চকুৱে চাই।"

এনেদৰে, প্ৰেমৰ আৰম্ভণিৰ পৰা চূড়ান্ত মিলনৰ কাললৈ অৰ্থাৎ বিবাহলৈকে বিহুগীতত মনৰ ভাৱ প্ৰকাশ ঘটে। প্ৰেম- প্ৰণয় প্ৰকাশ কৰাৰ উপৰিও এনে ধৰণৰ বিহুগীতসমূহে অসমীয়া সাংস্কৃতিৰ ভেটি গঢ়াতো যথেষ্ট অৱদান আগবঢ়াই আহিছে।

– বিচিত্ৰা চেতিয়া
স্নাতক ৬ষ্ঠ ষান্মাসিক।

# নিৰ্যাতিত নাৰীক লৈ মোৰ কিছু কথা

'নাৰী শক্তি হৈছে এক সবল শক্তি, যত নাৰীয়ে কৰিব নোৱাৰা কাম একোৱে নাথাকে।' নাৰী শক্তিক কোনেও উলংঘন কৰিব নোৱাৰে, যোঁ তেতিয়াৰ লক্ষ্মী, সৰস্বতী, পাৰ্বতী, কনকলতাৰ পৰা কল্পনা, প্ৰতিভা, মাৰ্মনি, মাইনীৰ লৈকে নাৰীৰ উচ্চ আসন আছে। শিক্ষাৰ ক্ষেত্ৰত আজিৰ নাৰী কোনো গুণেই কম নহয় পুৰুষতকৈ। কিন্তু কিছুমান নাৰীয়ে নিজকে চিনিব নোৱাৰি কত কিমান ভুল কৰি আছে আজিৰ সমাজত কোনে জানে? প্ৰতিটো দিশতে নাৰীসকলে স্থান পাইছে, নিজৰ জীৱনত সফলতাৰ খোজ মিলাইছে, সময়ৰ লগত আগবাঢ়ি গৈছে নাৰী নিৰ্যাতনৰ সমস্যা। বৰ্তমান নিৰ্যাতিত নাৰীসকল T.V., বাতৰি-কাকত, আলোচনী আদিৰ জৰিয়তে নিতৌ নৈমিত্তিক ঘটনা হ'ব ধৰিছে। নাৰীসকল নিৰ্যাতনৰ বলি হোৱা কেইবাটাও কাৰণ চকুৰ আগত ভাঁহি থাকে:



(i) কেতিয়াবা বনকৰা ছোৱালীজনী মালিকে নিৰ্যাতন চলায়।

(ii) কেতিয়াবা বোৱাৰীক যৌতুকৰ কাৰণে হত্যা কৰে।

(iii) কন্দল লাগি মনোমালিন্য ঘটি হত্যা কৰে,

(iv) ডাইনী বুলি হত্যা কৰে বা নিৰ্যাতন চলায়।

(v) কেতিয়াবা দা-কটাৰীৰ দ্বাৰাও নাৰীক হত্যা কৰে।

এই ঘটনাবোৰে মানুহক জুৰুলা কৰি মাৰিছে। ঘটনাৰ লগত বোৱাৰী গৰাকী বা কিশোৰী গৰাকীৰো দুখ থাকে সঁচা, কিন্তু নিৰ্যাতনৰ

আৰত সম্বন্ধীয় অপৰাধী নাৰীয়ো থকা দেখা যায়, যত তেওঁলোকে ভাবি নাচায় যে তেওঁলো নাৰীয়েই। অপৰাধী জী ব দৰে, মানুহ দৰে নাৰীক হত্যা কৰিব নোৱাৰে, এয়া এক জঘন্য অপৰাধ, নিৰ্যাতিত নাৰী পৰাকীয়ে আগৰ পৰা সহায় বিচাৰিব নোৱাৰিছিল -ও উচৰৰ দোষী থকা সেই দুই পৰাকী নাৰী ওলাই আহিব লাগে, আইনৰ সহায় লৈ প্ৰতিবাদ কৰিব লাগে। নাৰী জাতিটোক দুৰ্বল কৰি তুলিব নালাগে, ঘৃণাৰ সৃষ্টি কৰিব নালাগে।

'নাৰীয়েই মমতাময়ী, নাৰীয়েই ছলনাময়ী,' যেয়ে প্ৰত্যেক নাৰীয়ে বিপদত পৰিলে ছল কৰি হলেও ওলাই আহিবলৈ চেষ্টা কৰিব লাগে। বিপদত পৰি হাহাকাৰ কৰাতকৈ সহায়ৰ হাত বিচাৰিব লাগে। পিতৃ-মাতৃয়েও ছোৱালীক উচ্চ শিক্ষাৰে সমাজত থিয় হ'বলৈ শিকাব লাগে, বিয়াকে মুখ্য লক্ষ্য হিচাপে ল'ব নালাগে। তেতিয়াহে পিতৃ-মাতৃৰ লগতে সমাজৰো উন্নতি হ'ব। আজিৰ শিক্ষা-ব্যৱস্থা যথেষ্ট উন্নত; যেয়ে শিক্ষাৰ মূল্য বুজি প্ৰত্যেক ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিব লাগে, হয়তো তেতিয়াহে এই ভয়াৱহ সমস্যা কিছু পৰিমাণে কমিব পাৰিব। বৰ্তমান সমাজৰ এই পৰিস্থিতিত কোনো অপৰাধী নাৰীয়েই নিৰাপত্তা নাই, নিজেই নিজৰ নিৰাপত্তা ল'ব লাগিব, কিয়নো চৰকাৰ বা আইনৰ পৰা একো সুবিধা ল'ব পৰা নাই।

কিছু নাৰীয়ে টকাৰ কাৰণেই ভুল পথ বাছি লৈ নিজক বিক্ৰী কৰি দিয়া অনুচিত। মোৰ দৃষ্টিত, এইটো প্ৰধান সমস্যা।


সমাজৰ উচ্চ ওপৰৰ শিক্ষিত, তথা নাৰীৰ আগ্ৰহত নিজৰ কৰ্মৰে জীৱন অতিবাহিত কৰিব লাগে। এই সময় নাৰীয়ে নিজৰ বিপদ নিজেই মাতে তাৰ বিনিময়ত মৃত্যুক আঁকোৱালি ল'ব লগা হয়। আজিও বা কিমান আৰু হৈ আছে ভুক্তভোগী।

শ্ৰী স্বৰদী গোঁহাই
দ্বিতীয় ষান্মাসিক
অসমীয়া বিভাগ।

# কাব্য পৃথিবী

Scanned with OKEN Scanner

# শিপাই বান্ধি ৰাখিব আমাক




প্ৰতিদিনে বাট চাই ৰওঁ তেমালৈ
দিনটোৰ আৰম্ভণি হওঁতেই
কেতিয়ানো শেষ হয় ধৰিবই নোৱাৰো,
পুনৰ আশা কৰো নতুন দিন এটালৈ...।
সম্ভাৱনাৰ সেউজীয়াবোৰ পাত মেলিয়াই
২.১৫ ৰ পৰা অবিৰাম গতি কৰো ...
জীৱনৰ সফলতাৰ জখলাত বগুৱাৰ আনন্দত ।
পথৰ সাৰথি শিক্ষাগুৰুসকল
দেখুৱাই জীৱনৰ আশাৰ বন্তি ।
আৰম্ভ হয়, একেজাল শিপাৰে বান্ধ খাই থকা
আমাৰ জ্ঞানৰ কৰ্ষণ থলি...।

তাম্বুলী ছাৰে পণ মাধ্যমেৰে
জ্ঞানৰ মালা গাঁথি যায়,
হৃদয়ৰ আভ্যন্তৰত প্ৰতিধ্বনি হয়
ৰশ্মি বাইদেউৰ প্ৰতিটো শব্দ,
গাম্ভীৰ্যৰ শিখৰত সংগীতা বাইদেউ
যেন এখন আকাশ...
বিজয়লক্ষ্মী বাইদেউৰ সৰস ৰঞ্জনিত
আমাৰ ওঁঠত বিৰিঙি উঠে হাঁহি,
কমকলি বাইদেউ সৌন্দৰ্যৰ সফুৰা
জীৱনবোধৰ গভীৰ কথাইও
সান্ত্বনা বাইদেৱে আমাৰ বুকু শিপাই যায়।
চিৰদিনৰ বাবে বিচাৰো এই বন্ধন..শিপাৰ
শুনি থাকিব বিচাৰো...শিপাৰ জয়গান।

— সোণমনি ভাগৱতী ।

# বিজয় হাঁহি

সিহঁতক শিপাবলৈ নিদিবা
সিহঁতৰ জন্মই,
একবিংশ শতিকাৰ
পৃথিৱীখনক পঙ্গু কৰি পেলাম ।
ভৱিষ্যত প্ৰজন্মই
পেঙু লৈ খোজ কাঢ়িব লাগিব ।
সিহঁতৰ আপোন বুলিবলৈ কোনো নাই



মানুহৰ মৃত্যুকহে সিহঁতে চিনি পায়
সন্ত্ৰাসত বিশ্বাসী সিহঁতৰ আত্মা,
মৰণাস্ত্ৰই উপাস্য দেৱতা,
ধ্বংসই মূল বাণী
পৰিচয় দিব খোজে
'জীৱ শ্ৰেষ্ঠ মানুহ'
এক নিষ্ঠুৰ প্ৰাণী. . . ?
সিহঁতে মৰম-স্নেহক ঘৃণা কৰে ।
এটা জাতিক দ্বিখণ্ডিত কৰি
শত্ৰুক পশ্ৰয় দি
জন্মভূমি বিদেশীক অৰ্পণ কৰি,
আত্মীয়ৰ ৰক্তৰে
মহা প্ৰলয় সৃষ্টিকাৰী ।
শান্তি সিহঁতৰ বাবে গ্লানি
আতংকই সিহঁতৰ বিজয় হাঁহি ।

— জোৎস্না বনীয়া
স্নাতক ৪ৰ্থ ষাণ্মাসিক ।

Scanned with OKEN Scanner

# মা তুমি অনন্যা

মা য'ত থাকে,
তাত আশ্ৰয় থাকে জীৱনৰ
প্ৰতিটো ঘাত-প্ৰতিঘাতৰ ।
মা য'ত থাকে,
তাত এজোপা বৃক্ষ থাকে নিৰাপদৰ
ফল যাৰ ঔষধি সকলো অসুখ নিৰাময় ।
মা য'ত থাকে,
তাত এখন আকাশ থাকে চেনেহৰ
সকলো আশা, শাঁতি আৰু আনন্দ থাকে জীৱনৰ ।
মা য'ত থাকে,
জিৰণি এখন সুকোমল
দলিচা পাৰি থোৱা থাকে তাত
য'ত নিশ্চিহ্ন হয়
ভাগৰুৱা দেহৰ সমস্ত ঘাম
জীৱনৰ শ্ৰম অবিৰাম ।



মা য'ত থাকে,
তাত পোহৰ থাকে দিগন্তজুৰি
জীয়াই থকাৰ সময়কোণত
মা থকালৈকে
পৃথিৱীৰ প্ৰিয় হৈ ৰয় সকলোৱে ।

– অপৰাজিতা চুতীয়া
স্নাতক ৪ৰ্থ ষান্মাসিক

Scanned with OKEN Scanner

# অপ্ৰাপ্তিৰ যন্ত্ৰণা...


প্ৰাপ্তিৰ আশাৰে বাঢ়িব ধৰা আস্যাবোৰ
শেষ কাই আহিছে ক্ৰমশঃ যন্ত্ৰণা হাতো অপ্ৰাপ্তিৰ
বিশাল সমুদ্ৰও আজি তৃষ্ণাতুৰ
ক'ব খুজিছে চিঞৰি চিঞৰি
মোকো অলপ পানী দিয়া
জ্বলি জ্বলি শেষ হ'ব ধৰিছে
বেদনাভৰা জীৱনৰ শলিতা
শব্দৰ আৱৰণত থাকিও আজি
সম্পৰ্কবোৰ গভীৰ হয় নীৰৱ নৈঃশব্দৰ সতে
হৃদয়ৰ কোমল কলিজাই সান্নিধ্য লয়
স্বপ্নৰ এচোতাল জোনাকত
দুচকুৰে বাগৰি অহা ৰঙীন স্বপ্নৰ বীজবোৰ
ক্ৰমাৎ পাংশু হ'ব ধৰিছে অপ্ৰাপ্তিৰ যন্ত্ৰণাত
দূৰণিৰ জোনাক চাই উমলি থকা
একান্ত আশাবোৰ আজি অসহায়
পাৰ হৈ যাব কেনেকৈ
সন্মুখত এখন পৰাপাৰহীন সমুদ্ৰ।

— টাছৰিণ হুছেইন
স্নাতক ৬ষ্ঠ ষাণ্মাসিক।

—x—

"কৃতকাৰ্যতাৰ বাবে সাধনা লাগে, সাধনাৰ বাবে সাহস লাগে আৰু সাহসৰ বাবে লাগে আত্মবিশ্বাস।"
— চৈয়দ আব্দুল মালিক।

# শালিকীজনী



আমাৰ ঘৰৰ পিছফালৰ
সৰু চোতালখনিত
শীতল কোমল মিঠা ৰাতিপুৱা
যাৰ পাওঁ কণমানি শালিকীজনীৰ
মিঠা মাত শুনি।
পৰমপিতাৰ অপূৰ্ব সৃষ্টি
মোৰ মৰমী শালিকীজনী
কোনো দুখ নাই তাইৰ
নাই কোনো চিন্তা ।
খুদকণৰ বাবে জীয়াই থাকে
মোৰো মন যায়,
মাথো চৰাই হ'বলৈ
গছৰ জালে-পাতে
দেও দি, নাচি-বাগি ফুৰিবলৈ ।

— মেঘালী দোলাকাষৰীয়া
স্নাতক ২য় ষান্মাসিক ।

Scanned with OKEN Scanner

# সময়ৰ শৰ



সময়ৰ কাম সময়ত কৰে
যিজনে সদায়,
সেইজনেহে জীৱনত
সফলতা পায়
পিছত কৰিম বুলি যি
কাম পেলাই থয়
তাৰ বাবে সময় কিন্তু
থমকি নৰয়।
সময়ৰ শৰ সময়ত যিজনে
মাৰিব জানে
জীৱনলৈ সফলতা আপুনা-আপুনি আহে।

— চামিমা বেগম
স্নাতক ২য় ষাণ্মাসিক।

# প্ৰাণৰ পৰশ অনা বৰষুণ



শাওনত নামি আহে ধৰালৈ
প্ৰাণৰ পৰশ অনা বৰষুণ
এজাক বৰষুণে তিয়াই নিয়ে
সমস্ত পৃথিৱী ।

ৰিমঝিম বৰষুণে পৃথিৱীৰ পৰা
মচি নিয়ে সকলোবোৰ ক্লেশ
বাৰিষাৰ বৰষুণে হৃদয়ত এক
নতুনৰ উন্মেষ ঘটায়
জগাই তোলে হৃদয়ত আশাৰ ৰেঙনি ।

বাৰিষাৰ আগমনে, হৃদয়ত
এক অজান শিহৰণ তোলে,
সেই শিহৰণে সকলোকে কৰি তোলে
উন্মনা.... ।

— মুন্নী গুপ্তা
স্নাতক ৪ৰ্থ ষাণ্মাসিক

— x —

"কথা কমকৈ কবা, কাম বেছিকৈ কৰিবা। আনক উপদেশ কমকৈ দিবা। সজলোকৰ উপদেশ বেছিকৈ শুনিবা, তোমাৰ কল্যাণ হ'ব।"— ছক্ৰেটিছ ।

# মোৰ ফুলনি বাগিচা

মোৰ ফুলনিত চিৰ বসন্ত
ফুলবোৰে কথা পাতে যৌৱনৰ,
ৰঙৰ পোহাৰ মেলি
পখিলাবোৰে যোৰ পাতি ফুৰে
পখীৰ কাকলিবোৰ
গীত হৈ সৰি পৰে
সুৰীয়া গীতবোৰ ভাঁহি আহে
ক'ৰবাৰ পৰা
ফুলনি বাগিচাখনত
ষোড়শী হৈ ঝুলি থাকে অকলে . . .
মতলীয়া সুবাসে
মোক আঁকোৱালি থাকে
ফুলজোপাৰ আঁষৰ পৰা
উঠি খেলি থকা –
সুন্দৰ হাঁহিটোৰে
বহু কথা কৈ যায় তেওঁ . . . ।
একাকাৰ হৈ পৰা কথাৰ সতে
সাতেৰঙী ৰামধেনুৰে
মেলৈ চাই মিচিকিয়াই
আধৰুৱা সপোনটোৰে মোক
মোহাচ্ছন্ন কৰি থয়
ওৰেটো দিন ।



– হিমবৰষা বৰুৱা
স্নাতক ২য় ষান্মাসিক।

# আঘোণ তই বুকুৰ সপোন

ৰূপৰ কলাকাৰ সুবৰ মানসী আঘোণ
তোৰ আঁচলত যে সোণগুটীয়া সপোন।
সোণালী ব্লুটা বচা আঁচল উঁৰুৱাই
তই আহিলি আঘোণ
তোৰ আঁচলত কত সন্তানে মুখ লুকুৱাই
দেখিছে সপোন।
জোনাকত ভুমবালি
আঘোণে বজালে
বাঁহীৰ ভুমবলি তুলি
জোনাক উতলা
মোৰ আঙুলিৰ পাৱত
প্ৰেমৰ কুমলীয়া কোঁহ।


তুলি তুলি
বাঁহী।
তুলি

নকৰিবিচোন আঘোণ
গাজি উঠে




– সুদিষ্টা নেওপ
স্নাতক ৬ষ্ঠ ষান্মাসিক।

# সৌজাক ধুমুহা অহাৰ দিনা



সৌজাক ধুমুহা অহাৰ দিনাই
হৃদয়বোৰ পৰিণত হৈছিল ধ্বংসস্তূপত
কেৱল অহৰ্নিশে দুখবোৰ বৈ গৈছিল চকুলো হৈ
আৰু, আৰু মাত্ৰ এটাই প্ৰশ্ন
ধুমুহা আহিল কিয়?
উঁহু! পাহৰা নাই
নাই পাহৰা সেই দিন
জানো, কেতিয়াবা পাহৰিম পাৰিম।
সময়ৰ সোঁতত হয়তো চকুলো নবয়
কিন্তু, থিকেই...
স্মৃতি নামৰ যন্ত্ৰণাই আহি আমনি কৰিব।
অ' সেইদিনাতো এখন চিতাও জ্বলিছিল
যাৰ কলা ধোঁৱাৰ সৈতে বিলীন হৈছিল
কাৰোবাৰ সপোন, আশা আৰু জীয়াই থকাৰ...
মৃত্যুৱে হাঁহিছিল আৰু জীৱনে কান্দিছিলে।
এইজাক ধুমুহাতে সমাপ্তিত হৈছিল
জীৱন নামৰ নাটকখনিত
কোনোবা আপোনজনৰ অভিনয়
আৰু কান্দি কান্দি ভাগৰি পৰা আমিবোৰে
এবোজা দুখৰ বোজা লৈ কেৱল চাই ৰৈছিলো
অগ্নিস্ফুলিংগত ছাঁই হৈ যোৱা এটি দেহক
সৌজাক ধুমুহা অহাৰ দিনাই...।



— মধুস্মিতা গগৈ
স্নাতক ৪ৰ্থ ষাণ্মাসিক।

# আজি তোমাৰ বাবে এটা কবিতা লিখিম...

আজি তোমাৰ বাবে এটা কবিতা লিখিম
হানি দিম তাত
হৃদয়ৰ অব্যক্ত মৰম
আৰু সানিম অন্তৰৰ কিছু কুহুমীয়া আবেগ
আজি তোমাৰ বাবে এটা কবিতা লিখিম
ভৰাই পেলাম কৃতজ্ঞতাৰে....
কাৰণ, মই জানো...
মোৰ ঘৃণে খোৱা হিয়াখনত
যিদৰে তুমি ৰং দিছিলা
টোপাল টোপালকৈ....
হৃদয়ৰ জালত সামৰি
মোৰ নিৰস জীৱনক
তুমিয়ে দিছিলা সজীৱতা
খান-বান হৈ যোৱা
মোৰ সপোনবোৰক
তুমিয়েহে আলফুলকৈ
আকৌ সাঁচতিত সজাইছিলা...
মই জানো... মই সকলো জানো....।
সেয়ে, আজি তোমাৰ বাবে এটা কবিতা লিখিম,
হানি দিম তাত
মোৰ হৃদয়ৰ অব্যক্ত মৰমবোৰ।

- হিমবৰষা বৰুৱা
স্নাতক ২য় ষান্মাসিক

Scanned with OKEN Scanner

# 'অৰণ্য মানৱৰ সান্নিধ্যত....

'ভাৰতৰ অৰণ্য মানৱ' বুলিলে সকলোৰে পৰিচিত মানুহজনেই হ'ল অসমৰ সু-সন্তান 'পদ্মশ্ৰী' যাদব পায়েং। প্ৰকৃতিৰ সন্তান হিচাপে নিজক পৰিচয় দি অহাজনেই এই দূৰদৰ্শী মানুহজনক লগ পোৱাৰ সৌভাগ্য আমাৰো হৈছিল। ২০১৫ চনৰ ২ জুলাই তাৰিখে কলেজৰ তৰফৰ পৰা অৰণ্য মানৱৰ ককিলামুখ(যোৰহাট) স্থিত বাসগৃহত উপস্থিত হৈছিলো। অবিশ্বাস্যভাৱে আমি তেখেতক লগ পাইছিলো। বহুতে কৈছিল, "আগতীয়াকৈ যোগাযোগ নাৰাখিলে তেখেতক লগ নাপাব। কিন্তু আমি কোনো সংযোগ ব্যৱস্থাৰ সহায় নোলোৱাকৈয়ে তেখেতক ঘৰতে লগ পালো। বহুত কথা জানিব পাৰিলো 'ভাৰতৰ অৰণ্য মানৱ'ৰ পৰা....।

ককিলামুখ, ব্ৰহ্মপুত্ৰৰ এটা সুঁতি। এই সুঁতি পাৰ হৈ পোৱা চাপৰিটোৱেই 'অৰুনামুখ চাপৰি'। পূৰ্বতে এই চাপৰিত এখন গাঁও আছিল। এই গাঁৱতে এটা দৰিদ্ৰ পৰিয়ালত সাধাৰণ শিশু হৈ জন্ম লৈছিল অসাধাৰণ মানুহজন। ব্ৰহ্মপুত্ৰৰ বিধ্বংসী ৰূপে তেওঁলোকৰ গাঁওখন উচ্ছন্ন কৰিলে। সকলো মানুহ ককিলামুখলৈ গুচি আহিল। যাদব পায়েং সৰু হৈ থাকোতেই পিতৃ-মাতৃ পৰলোকপ্ৰাপ্তি হোৱাৰ বাবে বিভিন্ন সমস্যাই পৰিয়ালটোক বেৰি ধৰিছিল। যাৰ ফলত, তেখেতে কম বয়সতে শিক্ষা সমাপ্ত কৰি, ডিচৈকাৰ ব্ৰাহ্মণ গাঁৱৰ অনিল বৰঠাকুৰৰ ঘৰত কাম কৰিবলৈ ল'লে। সৰুৰে পৰা প্ৰকৃতিৰ প্ৰকৃত

ডাঙৰ-দীঘল হোৱা পায়েংৰ হাতত প্ৰতিটো গছৰ পুলি ঠন ধৰি উঠিছিল। সেইবাবে, বৰঠাকুৰৰ ঘৰত তেখেতক 'পাণ পুলি' ৰুবলৈ দিছিল। তেখেতৰ মতে এইয়াই আছিল পায়েংৰ প্ৰথম বৃক্ষ ৰোপণ।

জন্মভূমিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাই সকলো মানুহকে আকৰ্ষণ কৰে। 'অৰণ্য মানৱ' যাদৱ পায়েঙো ইয়াৰ ব্যতিক্ৰম নাছিল। পৰু চৰাবলৈ গৈও তেখেতে জন্মভূমি, ব্ৰহ্মপুত্ৰই খুৱাই যোৱা ওৰানা চাপৰিত অলপ জিৰণী লৈছিল। তেনেদৰে, গ্ৰীষ্ম কালৰ প্ৰচণ্ড গৰমৰ এটা দিনত ব্ৰহ্মপুত্ৰৰ বালিত কেইডালমান সাপ মৰি থকা দেখি প্ৰকৃতিৰ সন্তান পায়েংৰ অন্তৰত দুখ লাগিছিল। এনেদৰে, দুদিনমান এই দৃশ্য প্ৰত্যক্ষ কৰাত তেখেতে ইয়াৰ পৰিত্ৰাণৰ উপায় চিন্তা কৰিবলৈ ধৰিলে। দেউৰী সম্প্ৰদায়ৰ বিজ্ঞ মানুহ এজনক ইয়াৰ এটা পৰামৰ্শ বিচাৰিলে। তেখেতে পায়েংক পৃথিৱীৰ আটাইতকৈ ওখ বাঁহজোপা ৰুবলৈ কলে। সেই মানুহজনৰ পৰামৰ্শতে তেখেতে এখিনি বাঁহ ৰুই, কিছুদিনৰ পিছত তাৰ সুফল দেখিলে। দূৰদৰ্শী চিন্তাৰ অধিকাৰী মানুহজন ইমানতে সন্তুষ্ট নহ'ল। অহৰহ তেখেতৰ মনলৈ ধ্বংসমুখী প্ৰকৃতিক ৰক্ষা কৰাৰ চিন্তা আহি থাকিবলৈ ধৰিলে। এই ক্ষেত্ৰত, তেখেতে গছ ৰোৱাই আটাইতকৈ উত্তম কাম বুলি ভাবি, চাপৰিতে গছ ৰুবলৈ আৰম্ভ কৰিলে। তাৰ পিছত এবিঘা এবিঘাকৈ মাটিত আঁচনি প্ৰস্তুত কৰি শাৰী শাৰী গছ ৰুই এখন অৰণ্যৰ জন্ম দিলে। যিখন অৰণ্যৰ বাবে তেখেতক আজি সকলোৱে চিনি পায় 'ভাৰতৰ অৰণ্য মানৱ' হিচাপে

তেখেতৰ অধ্যৱসায় আৰু ঐকান্তিক প্ৰচেষ্টাত গঢ়ি উঠা অৰণ্যখনত অনেক জীৱ-জন্তু, বাঘ, গঁড়, হাতী, হৰিণা, চৰাই-চিৰিকটি আদি আছে। "কৰ্মই মানুহৰ ধৰ্ম" এই কথাষাৰ বাস্তৱত প্ৰতিফলিত কৰি পৃথিৱীৰ প্ৰাণ ৰক্ষা কৰিবলৈ আগবাঢ়ি অহা এইজন মানুহৰ সান্নিধ্যত আমি সঁচাকৈ গৌৰান্বিত। তেখেতৰ কৰ্মৰাজিৰ বাবে ভাৰত চৰকাৰে তেখেতক 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰিছে। আন্তৰ্জাতিক পৰ্যায়তো অনেক খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। আমেৰিকা, চীন আদি বিশ্বৰ আগশাৰীৰ দেশসমূহত উদ্ভিদ বিজ্ঞানী আৰু জীৱ বিজ্ঞানী আৰু প্ৰকৃতিপ্ৰেমীসকলৰ মাজত বিশেষভাৱে সমাদৰ লাভ কৰা 'যাদৱ পায়েং'ক আমি জনাটো অৰ্থাৎ, তেখেতৰ অতুলনীয় কৰ্মৰাজিক আদৰ্শ হিচাপে গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়।

যাদৱ পায়েংৰ সাক্ষাতত আমাৰ মনত এটা কথাই খুন্দিয়াই আছিল। যিহেতু, আমি 'অসমীয়া'ৰ ছাত্ৰী। গতিকে... তেখেতক সুধিলো, 'আপুনি দেশ-বিদেশ ঘূৰি ফুৰে, সভা-সমিতিত অংশ গ্ৰহণ কৰে, বিদেশত আপোনাৰ ভাষাৰ ক্ষেত্ৰত একো সমস্যা নহয়নে?" মোৰ কথা শুনি, হাঁহি মাৰি তেখেতে ক'লে," মই দুটা ভাষাহে জানো,। অসমীয়া আৰু মিচিং। হিন্দীটো অলপ অলপ শিকিছো। বাহিৰত মই অসমীয়াতে কওঁ। তেখেতসকলে কাণত যন্ত্ৰ লগায় মোৰ ভাষণ শুনে।" ইমান সহজভাৱে তেখেতে উত্তৰ দিয়াত আমি আচৰিত হ'লো। আমাৰ সকলোৰে এটা ধাৰণা আছে যে বিদেশলৈ গ'লে, ইংৰাজী, হিন্দী ভাষা জনাটো বাধ্যতামূলক। কিন্তু যেতিয়া মানুহক কৰ্তব্যই মহীয়ান কৰি আগুৱাই নিয়ে... ভাষা

অনন্বয় হব নোৱাৰে। 'ভাৰতৰ অৰণ্য মানৱে' এই কথাও প্ৰমাণ কৰিলে যে মাতৃভূমিৰ আৰু মাতৃভাষাৰ প্ৰতি থকা শ্ৰদ্ধাই মানুহক যিকোনো কামতে সফল কৰিব পাৰে।

– স্বৰ্ণালী গগৈ
স্নাতক ৬ষ্ঠ ষাণ্মাসিক

---x---

## জানানে ?

১। কোনটো জীৱই মূৰটো কাটি দিয়াৰ পিছতো এক সপ্তাহ পৰ্যন্ত জীয়াই থাকে?

➔ পইতাচোৰা।

২। বিশ্বৰ কোনখন দেশত মহ পোৱা নাযায়?

➔ ফ্ৰান্সত।

৩। কোনখন দেশত প্ৰত্যেক মানুহৰ বাবে সামৰিক প্ৰশিক্ষণ বাধ্যতামূলক?

➔ ইজৰাইল।

৪। 'বিজ্ঞান' (Science) শব্দটো প্ৰথমে কোনে উদ্ভাৱন কৰিছিল?

➔ উইলিয়াম হোৱেল।

৫। কোনটো মাছে পানীত সাঁতুৰিব পাৰে, মাটিত খোজ কাঢ়ে আৰু উৰিব পাৰে?

➔ গৰনাৰ্ড মাছ।

– সং গ্ৰাহক: বিশ্মী মুণ্ডা
স্নাতক ৬ষ্ঠ ষাণ্মাসিক

# কৌতুক

শিক্ষক : ৰমেন, তুমি কোৱাচোন অপাৰেচন কৰোতে ডাক্তৰ আৰু নাৰ্চে মুখত কাপোৰ বান্ধি লয় কিয়?

ৰমেন : চাৰ, অপাৰেচন কৰোতে ভুল হ'বও পাৰে তেতিয়া যাতে কাৰো চিনি নাপায় আৰু দোষ দিব নোৱাৰে।

এজন বাটৰুৱাই অচিনাকী লৰা এজনক সুধিলে-

ভদ্ৰলোক : ভাইটি তোমাৰ নাম? লৰা : নীতিশ

ভদ্ৰলোক : দেউতাৰ নাম? লৰা : হৰিষ

ভদ্ৰলোক : তোমাৰ বয়স? লৰা : পঁচিশ

ভদ্ৰলোক : কি খাই ভালপোৱা? লৰা : পেটিচ

ভদ্ৰলোক : দেখাটো বৰ নিপোটল। লৰা : মালিচ

ভদ্ৰলোক : তোমাৰ জোতাযোৰো ধুনীয়া। লৰা : পলিচ

ভদ্ৰলোক : আচ্ছা, তোমাৰ দেউতাই কি কৰে? লৰা : পুলিচ

ভদ্ৰলোক : ইমান মিলাই মিলাই কথা ক'ব পাৰা!

লৰা : প্ৰেক্টিচ।

ভদ্ৰলোক : আইঅ' কথা ক'বই নোৱাৰি।

লৰা : FINISH

ছোৱালীৰ দেউতাক : তুমি কি চাকৰি কৰা?

লৰা : দেউতা, মই KFC ত কৰো।

ছোৱালীৰ দেউতাক : মানে?

লৰা : Kakoti Fuska Centre. হা: হা: হা:


# গল্প



Scanned with OKEN Scanner

# উপলব্ধি

ময়না অ' ময়না কি কৰি আছা অ'? অলপ
মানে আহা চোন এটা 'Good News' আছে
তোমালৈ এয়া অনুজৰ মাত, অনুজ যে
শহৰৰ এটা মাল্টিনেচনেল কোম্পানীৰ কৰ্মৰত
এজন উচ্চ বৰ্গৰ বিষয়া। পুত্ৰ বিকাশ আৰু
পত্নী নেহাৰ সৈতে এখন সুখৰ সংসাৰ
একোৰে অভাৱ নাই ঘৰখনত। এনেকুৱাতে
পাকঘৰৰ ড্ৰয়িং ৰুমলৈ ট্ৰে'ত চাহ বিস্কুট লৈ
সোমাই আহে নেহা, "কি হ'ল নো ইমান
চিঞৰ-বাখৰ লগাই আছা যে কি News
কোৱা আকৌ। এই বুলি নেহাই চাহৰ
কাপটো আগবঢ়াই সুধিলে। শুনা আজি
মোৰ প্ৰমোচন হ'ল, মোৰ Performance
ৰ বাবে যে আজি মোক সকলোৱে আগত
প্ৰশংসা কৰিছে আৰু এইদৰে কাম কৰি
উৎসাহ
যাবৰ বাবে প্ৰেৰণা আৰু লোৱেই
দিছে। অ' মই পাহৰিছো সাংস
এয়া লোৱা তাঁহঁৰ দেই।
সোমোৱা দি ৰাখিবা বস্তুখিনি



নেহাই পাকঘৰলৈ অনুজ
লৈ মোবাৰ পাছত ওলাই
বাৰাণ্ডালৈ বুলি ফোনটো বাজি
আছিল। এনেকুৱাতে অনুজৰ
উঠে। ফোনটো ৰিচিভ কৰাত সিফালৰ পৰাৰ
মদনৰ কণ্ঠ ভাঁহি আহিলে। কথাইদেউ

কাইলৈ সৰমা পৈ আছে আলোলাকৰ ঘৰলৈ কথাটো জনালো। ঠিক আছে বাৰু বুলি অনুজে ফোনটো কাটি দিলে। পিছদিনা ৰাতিপুৱাতে গাঁৱৰ পৰা প্ৰথম বাছখনত উঠি পাৰলী বুঢ়ীয়ে পুতেকৰ ঘৰলৈ বুলি যাত্ৰা কৰিলে। আথুৱা বাছ আস্থানৰ পৰা অনুজে মাকক গাড়ীৰে আগবঢ়াই নিলেহি। আইতাক অহা বুলি জানি বিকাশৰ স্ফূৰ্তিৰ অন্ত নাই — আইতাকক সি তাৰ নতুন 'ভিডিঅ' গেমটো দেখুৱাব, সাধু শুনিব আৰু অনেক কল্পনা কৰিব ধৰিলে, কিন্তু ঘৰলৈ অহাত নেহাই অপালো ভাল নেপালে ঘৰখন আমনিহে পালে তেওঁ পুৰণিকলীয়া নীতি-নিয়মবোৰৰ বাবে। সেয়েহে একমাত্ৰ পুতেকক আইতাকৰ পৰা আঁতৰত ৰখাৰ উদ্দেশ্যে বিকাশক পঢ়া-শুনা, খেল-ধেমালিত ব্যস্ত কৰাই ৰাখিলে। অনুজৰ আগত একো নকলেও মনে মনে কিন্তু মাক সোনকালে তাৰ পৰা যোৱাটোহে বিচাৰিছিলে। সেইবাবে মাজে মাজে তেওঁ মাকক কটু বাক্য শুনাইছিল আৰু সকলো কামতে হকা-বাধা কৰিছিল। অথচ সকলো দেখি শুনিও পুতেক অন্তৰত দুখ পাব বুলি পাৰলী বুঢ়ীয়ে একো নকয়। এদিন মনৰ কথা বিকাশ স্কুলৰ পৰা আহি বাৰাণ্ডাতে আমোল খুলিবলৈ আহিল। তাকে দেখি বোৱাৰীয়েক নেহাই মাত লগালে, মা আপুনি এইবোৰ কি কৰিছে গোটেই সাৰিয়া অন লেতেৰা হৈ পৰিছে। কিয় বাৰাণ্ডাখন লেতেৰা কৰিছে বাৰু চৰৰত

এইবোৰ কোনেও নাজানায়। যোৱাৰীয়েকৰ কথামতে পাৰলী বুঢ়ীক ভালেকৈ বিশ্বলে অন্তৰত কিন্তু স্বভাৱৰ কথা ভাৰি একো নকলে তেওঁ। সিদিনা সন্ধিয়া নেহাৰ ঘনিষ্ঠ বান্ধৱী মৌৰিন আহিছিল সিহঁতৰ ঘৰলৈ। বান্ধৱীক লগ পাই নেহাৰ পাত তত নাই। ইমান দিনৰ মূৰত আহিছে। বান্ধৱীক কি খুৱাব কি নুখুৱাব তাকে লৈ ব্যস্ত হৈ পৰিছে। এনেতে যোৱাৰীয়েকৰ সখিয়েকক মাত দিবলৈ পাৰলী বুঢ়ী ওলাই আহিল। মৌৰিনৰ লগত কথা বতৰা কৰি থাকোঁতে নেহাই চাহ-মিঠাই সাজু কৰি মৌৰিন আৰু মাকক চাহ খাবলৈ মাতিলে। এনেতে বিকাশ আহি পালেহি টেনিছ ক্লাছৰ পৰা। "মা ময়ো আম।" নেহাই কলে সোনটো তুমি ইয়াতে বহা মই আনি আছো। বিকাশক দেখি মৌৰিনে সুধিলে What is your name? মোৰ নাম বিকাশ। অন' ভাল নাম পাছে তুমি ডাঙৰ হৈ কি কৰিবা? বিকাশৰ উত্তৰ মা-দেউতাক গালি দিম।

বিকাশৰ কথাত মৌৰিন হতবাক হৈ ইকি কৈছে? কথামাৰ বুজিব পাৰি পাৰলীয়ে কলে, "নাপায় সোনটো তেনেকৈ কব।" নেহা অবাক হৈ পৰিলে বিকাশক এইবোৰ কথা কোনে শিকালে। তাই মৌৰিন মোৱাৰ পাছত শাহুৱেকক

কলে, "মা আপুনি বিকাশক এইবোৰ কি শিকাইছে ?" যোৱাৰীয়েকৰ কথাত বুঢ়ী আচৰিত হৈ পৰিল। কাৰণ, বিকাশক তেওঁ তেনেকৈ একো শিকোৱাই নাছিল। তেওঁ নেহাক বুজালে যে, "বোৱা নেহা তুমি আধুনিক মনৰ ছোৱালী কিন্তু তুমি মোক যেনেকুৱা ব্যৱহাৰ কৰিছা এবাৰ ভাৱি চোৱাছোন। বিকাশেও মি শিকিছে সেয়া তোমালোকে তাক দিয়া শিক্ষা। পিতৃ-মাতৃ হিচাপে তোমালোকে যি শিক্ষা দিছা তাৰ ফলত তোমালোকে নিজৰ চকুৰ আগত দেখিছা। তুমি যেনেকুৱা ব্যৱহাৰ কৰিবা আনৰ পৰাও তেনে ব্যৱহাৰেই পাবা, এতিয়াও সময় আছে কথাবোৰ অলপ চিন্তা কৰি চোৱা। শাহুৱেকৰ কথাবোৰে তাইৰ অন্তৰত যাকৈকে সাঁচ বহুৱালে। তাই নিজৰ ভুল উপলব্ধি কৰিব পাৰি শাহুৱেকক ক্ষমা বিচাৰিলে আৰু প্ৰতিজ্ঞা কৰিলে যে আজিৰ পৰা তাই ব্যৱহাৰ সলনি কৰিব।

— ৰিয়া অবাছুম
স্নাতক ষষ্ঠ ষান্মাষিক

# অৱশেষত...

২৭ জানুৱাৰী। সময় ৯ বাজিছে, পুৱা। বাস্তৱ মাক-দেউতাক স্কুলৰ পৰা শিক্ষামূলক ভ্ৰমণৰ বাবে ওলাই গৈছে। বাস্তৱ যাবলৈ বহুত আশা আছিল কিন্তু মাক-দেউতাকে তাক লগত নিনিলে। সেইদিনা সি অকলেই ঘৰত থাকিলে। সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বাস্তৱ মাক-দেউতাকো শিক্ষামূলক ভ্ৰমণৰ বাবে গাড়ীত বহিল। গাড়ী যাবলৈ আৰম্ভ কৰিলে। সকলোৱে হাঁহি-ফুৰ্তিৰে গৈ আছে। এনেতে অভাৱনীয় ঘটনা এটা ঘটিল। দলং এখনৰ তলত ভ্ৰমণৰত বাছখন সোমাই পৰিল। পাৰাবোৰে সেলেতেলে ওলাই আহিল। কিন্তু কিছুমানে তাতেই শেষ নিশ্বাস এৰিলে।

ইফালে বাস্তৱ চিন্তাত অধীৰ। ইমান সময় মাক-দেউতাক ঘূৰাহি নাই সি কি কৰিব একো ভাবি নোপোৱাৰ দৰে হ'ল। দুঃশ্চিন্তাই ব্যতিব্যস্ত কৰি পেলালে। তেনেতে, সিহঁতৰ পদূলিত এখন গাড়ী ৰখোৱাৰ শব্দ শুনিলে। সি তৎক্ষণাত দৌৰ দিলে, মাক-দেউতাক আহিছে বুলি। গাড়ীখনৰ ওচৰ পাই বাস্তৱে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। তাৰ ভৰিৰ তলৰ মাটিবোৰ যেন নোহোৱা হৈ পৰিল। সি একো নেদেখা হৈ পৰিল। গাড়ীৰ পৰা বগা কাপোৰেৰে আবৃত দুটা মৃতদেহ নমাই আনিলে। বাস্তৱে বুজিবলৈ বাকী নাথাকিল যে মাক-দেউতাক এই পৃথিৱীত আৰু নাই।

মাক-দেউতাকৰ অবিহনে ৰাজুৱে বৰ অকলশৰীয়া অনুভৱ কৰিলে। তাৰ সম্বন্ধীয় খুৰাক এজন গুৱাহাটীত থাকে। খুৰাকজনে খবৰটো শুনাৰ পিছত ৰাজুহঁতৰ ঘৰলৈ আহিল আৰু খুৰাকে ৰাজুক গুৱাহাটীলৈ নি তাতে পঢ়া-শুনাৰ ব্যৱস্থা কৰি দিম বুলি ক'লে। ৰাজু খুৰাকৰ লগত গুৱাহাটীলৈ ৰাওনা হ'ল। বাটত, খুৰাকে ৰাজুক ক'লে, "বলা ৰাজু, আমি সৌ হোটেলখনতে চাহ একাপ খাই লওঁ।" সিও," ঠিক আছে খুৰা বলা।"- এইবুলি হোটেলত বহিল। কিছু সময়ৰ পিছত খুৰাকে তাক অকণমান সময় তাতে বহি থাকিবলৈ কৈ বাহিৰলৈ গ'ল। খুৰাকে পলম কৰা দেখি, ৰাজুৱে কান্দিবলৈ ধৰিলে আৰু বাহিৰলৈ উঠি যাবলৈ লওঁতেই হোটেলৰ মালিকটোৱে আহি ৰাজুক ক'লে, " ক'ত যাব? তই আজিৰ পৰা আমাৰ ইয়াত থাকিব লাগিব।"

তেতিয়া, ৰাজুৱে ক'লে," খুৰা আপুনি কোৱা কথাবোৰ মই একো বুজা নাই।"

"অই লৰা, তোৰ লগত অহা মানুহজনে তোক মোৰ ওচৰত বিক্ৰি কৰি থৈ গৈছে।"

ৰাজুৱে আচৰিত হৈ ক'লে," নাই নাই খুৰাই কেতিয়াও এনে কাম কৰিব নোৱাৰে।"

হোটেলৰ মালিকে তাক ধমকিৰ সুৰত ক'লে," হ'ব, এতিয়া কান্দি থাকিব নালাগে যা। বাহিৰত কাপ বাচন পৰি আছে ভালকৈ ধুগৈ।"

Scanned with OKEN Scanner

ওঁতৰৰ পাবা এজন মানুহে মিঠাইক বহু সময় লক্ষ্য কৰি আছিল। তেওঁ হোটেলৰ ভিতৰলৈ সোমাই আহিল আৰু বাজুক সুধিলে, "কি হৈছে ভাইটি, তুমি কিয় কান্দি আছা?" তেতিয়া, বাজুৱে মানুহজনৰ আগত সকলো কথা কৈ দিলে। মানুহজনে বাজুক খুড়াকৰ ঠিকনাটো বিচাৰিলে। বাজুৱে জেপৰ পৰা কাগজ এটুকুৰা উলিয়াই মানুহজনৰ হাতত দিলে আৰু তিনিও থানালৈ গ'ল। তেওঁলোকে থানাৰ পুলিচৰ সহায়ত বাজুৰ খুড়াকৰ ঘৰ ওলালগৈ। খুড়াকে বাৰান্দাতে বহি পেপাৰ পঢ়ি আছিল। এনেতে, পুলিচজনে মাত লগালে, "আপুনি... বিৰাজ বৰঠাকুৰ হয়নে?" বাজুৰ খুড়াকে লাহেকৈ ক'লে, "হয়। কওকচোন?" "আপুনি এই ল'ৰাটোক চিনি পাইনে?"

"নাই নাই, মই এওঁক চিনি নাপাওঁ।"

তেতিয়া, বাজুৱে ক'লে, "কিয় মোক চিনি পোৱা নাই খুড়া? আপুনিয়েই জানো মোক সেই হোটেলখনত বিক্ৰি কৰা নাই? মই যদি মিছা কৈছো, এইজন মালিক।"

বাজুৰ খুড়াক নিমাত হ'ল। তেওঁ বাজুক ক'লে, "মোক ক্ষমা কৰি দিয়া। মই তোমালোকৰ ধন-সম্পত্তিৰ লোভত তোমাক বিক্ৰি কৰি থৈ আহিছিলো।"

এনেতে পুলিচজনে মাত লগালে, "মিষ্টাৰ বিৰাজ বৰঠাকুৰ, আপোনাৰ ক্ষমা হ'য়াত নহয়, জেলৰ ভিতৰত হ'ব, বলক এতিয়া আমাৰ লগত।

– সোণমনি ভাগৱতী
স্নাতক ৬ষ্ঠ ষাণ্মাসিক।

১ মিনিটৰ গল্প

# আনুমানিক!


লাহে লাহেকৈ দুটা মৃদু স্পন্দন তাইৰ পাত লাগি থকা বেগৰ পৰা আহিছে। ৰাণীয়ে লাহেকৈ কলম চিচৰাৰ চলেৰে বেগত থকা মবাইলটো চালে। হয়তো কাৰোবাৰ মেছেজ আহিছে। ৪৫ মিনিটৰ পাছত তাই বেগৰ পৰা মবাইলটো উলিয়াই চাই গেটৰ বাহিৰলৈ ওলাই গৈ বাহিৰত ৰৈ থকা এটা লৰাৰ ওচৰ পালেগৈ আৰু দুয়ো কিবা কথা পাতিছে। মই দূৰৰ পৰা সিহঁত দুয়োটালৈ চাই আছো কি বা কথা পাতিছে! মই দুয়োটাৰে ওঁঠ দুটা পৰ্যবেক্ষণ কৰিবলৈ চেষ্টা কৰিছিলো যদিও বিফল হ'লো।

সাধাৰণতে, লৰা-ছোৱালী একেলগে দেখিলে যি ভাব হয়, সেয়া মোৰো হৈছিল। তাই উভতি অহালৈ অপেক্ষা কৰিলো। অলপ সময়ৰ পিছত তাই আহিলে। মই সুধিলো, "লৰাটো কোন হয়? বয়ফ্ৰেণ্ড নেকি?" "নহয়, তোমো যে কথা। তেওঁ মোৰ বান্ধৱী ৰেচমাৰ ককায়েক"- ৰাণীয়ে ক'লে। "তোৰ ওচৰলৈ কিয় আহিছিলে?"- মই আকৌ সুধিলো। "ৰেচমা কালিৰ পৰা ঘৰত নাই। মই কিবা জানো নেকি বুলি মোৰ ওচৰলৈ আহিছিলে"-তাই ক'লে আৰু মবাইলটো উলিয়াই নম্বৰ এটা ডায়েল কৰিলে। ১০০!!!

- লিপিকা কোঁৱৰ
স্নাতক ৪ৰ্থ ষাণ্মাসিক।

# উপহাৰ

এখন গাঁৱত এঘৰ বৰ দুখীয়া মানুহ আছিল। মানুহ ঘৰত মাত্ৰ দুটাহে মানুহ আছিল। ছোৱালী এজনী আৰু মাক। ছোৱালীৰ নাম সমীক্ষা। তাইৰ দেউতাক ফুৰিবলৈ ওলাই যাওঁতে মটৰ দুৰ্ঘটনাত মৃত্যু হৈছিল। সমীক্ষা দশম শ্ৰেণীৰ ছাত্ৰী। সিহঁতৰ অৱস্থা একেবাৰে বেয়া আছিল। দিন হাজিৰা কৰি মাকে তাইক পঢ়াইছিল। সমীক্ষাৰ এজনী মলে-গলে লগা বান্ধৱী আছিল। তাইৰ নাম সুনিতা। সুনিতা মাক উকিল আৰু বাপেক ডাক্তৰ আছিল। সুনিতা মাক-দেউতাকৰ চাকৰি কৰাৰ বাবে সুনিতাই যি বস্তু বিচাৰিছিল মাক-দেউতাকে তাকে আনি দিছিল। সমীক্ষাৰ মাকৰ একো উপাৰ্জন নথকাৰ বাবে সমীক্ষাই বিচৰা বস্তুবোৰ আনি দিব নোৱাৰাত মাকৰ মনত বৰ দুখ। সমীক্ষা বৰ শান্ত স্বভাৱৰ ছোৱালী। সুনিতা ধনী ঘৰৰ ছোৱালী বাবে অলপ তাই অহংকাৰী আছিল। তথাপি তাই সমীক্ষাক খুব ভাল পাইছিল। কিন্তু বাকী ল'ৰা-ছোৱালী-বোৰে সিহঁত দুজনীৰ মিলা-প্ৰীতি ভাৱটো দেখিব নোৱাৰিছিল। কাৰণ, সমীক্ষা একেবাৰে দুখীয়া ঘৰৰ ছোৱালী আছিল। এদিনৰ কথা সুনিতাৰ জন্ম দিন বহুত ডাঙৰকৈ পাতিছিল। সমীক্ষাৰ বাদে বাকী লগৰবোৰে দামী উপহাৰ দিছে। কিন্তু সমীক্ষাৰ বৰ দুৰ্ভাগ্য, সুনিতাৰ উপহাৰ এটাৰ বাবে তাইৰ ঘৰত খুদকণ এটাও নাই। নগ'লেও নহ'ব, কাৰণ সুনিতা তাইৰ খুব ভাল বান্ধৱী। তাই ভাৱি ভাৱি ফুলনিত ফুলি থকা গোলাপ ফুলকেইপাহ মান লৈ জন্মদিন খাবলৈ গ'ল। সমীক্ষাই



দিয়া উপহাৰটো দেখি লগৰ সকলোৱে হাঁহি দিলে, কিন্তু সুনিতাই বৰ আনন্দেৰে হাত পাতি ল'লে। সমীক্ষাই দিয়া উপহাৰটো সৰঁলৈ পাছত তাই মনে মনে মনৰ দুখতে ঘৰলৈ ঘূৰি গ'ল।


সুনিতাই ভিতৰৰ পৰা আহি সমীক্ষাক নেদেখি পাছে পাছে তায়ো দৌৰ দিলে। সুনিতাই গৈ দেখে সমীক্ষাই সুনিতাহঁতৰ ঘৰত হোৱা ঘটনা মোৰ মাকৰ আগত কান্দি কান্দি কৈ আছে। সুনিতাই মনে মনে শুনি আছিল। তাই সমীক্ষাক কান্দি থকাৰ বাবে বৰ দুখেৰে ক'লে, "নাকান্দিবা সমীক্ষা। তোমাৰ উপহাৰ লৈ মই বৰ সুখী, বলা সমীক্ষা আমাৰ ঘৰলৈ যাওঁ।" তাৰ পিছত সমীক্ষা আৰু সুনিতা পুনৰ সুনিতা হঁতৰ ঘৰলৈ ঘূৰি গ'ল।

—x—

শ্ৰী মেঘালী দোলাকাষৰীয়া
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ


Scanned with OKEN Scanner

# অনুভৱৰ কৰ্ৱাণি...



Scanned with OKEN Scanner

# শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী হিচাপে কিছু অনুভৱ



সোণালী ইতিহাসত নাম জিলিকাই থকা শিৱসাগৰৰ শিৱদৌলৰ কাষত অৱস্থিত নাৰী শিক্ষাৰ উজ্জ্বল জ্ঞানকেন্দ্ৰ অৰ্থাৎ শিৱসাগৰ ছোৱালী কলেজ। ২০১৫ চনৰ ১৫ তাৰিখে মই এইখন কলেজত পদাৰ্পণ কৰিছিলোঁ। উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মই এইখন কলেজত স্নাতক মহলাৰ বাবে ইয়াতে ভৰ্তি হ'লো। মোৰ বাইদেউ এইখন কলেজৰ ছাত্ৰী। তাইৰ মুখতে শুনিছিলো এই এইখন কলেজৰ পৰিৱেশ, শিক্ষা ব্যৱস্থা, কলেজৰ শৃংখলতা, ছাত্ৰী সকলৰ মাজৰ শৃংখলতা আৰু নিয়মানুৱৰ্তিতা ইত্যাদি বহু কথা। মোৰ এই কলেজত নামভৰ্তিৰ দিনা ইমান ভয়ত কলেজ জীৱনত কি কি হয় সেই সকলো বুজি পোৱা নাছিলো। তেতিয়া ছাত্ৰী একতা সভাৰ উপসভাপতি সম্পাদিকা বাইদেৱে মোক বহুখিনি সহায় কৰিলে। তেওঁলোকে এই কলেজখনৰ শিক্ষণীয় পৰিৱেশ, কলেজৰ নিয়মানুৱৰ্তিতা, কলেজৰ আধুনিক

সা-সুবিধা, আৰু তাৰ লগতে কলেজত প্ৰতি বছৰে পতা নৱাগত আদৰণী সভা, ছাত্ৰী একতা সভাৰ নিৰ্বাচন, শিক্ষক দিৱস, শাখা জয়ন্তী, সৰস্বতী পূজা, কলেজ সপ্তাহ ইত্যাদি বোৰ দেখি মোৰ মনটো বেছি উৎসাহিত হৈছে। সঁচাকৈয়ে আজি এই কলেজৰ ছাত্ৰী হিচাপে মই নিজকে সৌভাগ্যবান বুলি অনুভৱ কৰিছো।

শ্ৰী সীমা দলৈ
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

হৃদয়ৰ অন্তৰৰ

# আব্বালৈ মনত পৰে...

২০০৬ চনৰ ৮ মাৰ্চ। মোৰ জীৱনলৈ এটা কাল ধুমুহা আহিছিল। সেইটো আছিল আব্বাৰ মৃত্যু। নিয়তিৰ লিখন কোনেও খণ্ডাব নোৱাৰে। কিন্তু অস্বাভাৱিক ঘটনা এটা মানি লোৱাটো আমাৰ বাবে সহজ নাছিল। যি নিয়তিয়ে আমাৰ ঘৰৰ সৰ্বশ্ৰেষ্ঠজনক লৈ গৈছিল। এটা সৰু অসুখে কেনেদৰে সুস্থ-সবল শৰীৰৰ ব্যক্তি এজনক নিমিষতে শেষ কৰি দিছিল, সেই কথাষাৰ ভাৱিলেই আচৰিত লাগে।

আপোনালৈ সদায় মনত পৰে অ'... আব্বা! এটা ক্ষুদ্ৰ বেমাৰে আপোনাক আমাৰ মাজৰ পৰা আঁতৰাই নিলে। নহয়, সি কেতিয়াও ক্ষুদ্ৰ নহয়। আমাৰ বাবে সেই অসুখটো এটা অভিশাপ। যিয়ে আপোনাক আমাৰ পৰা কাঢ়ি নিলে। আজি আপুনি থকা হ'লে কিমান ভাল লাগিলহেঁতেন! সকলো থাকিও যেন আজি একো নাই এনে অনুভৱ হয়। তথাপিও ৰোমন্থন কৰো সেইবোৰ দিন... যেতিয়া আমি একেলগে ফুৰিছিলো, হাঁহিছিলো, ফুৰ্তি কৰিছিলো। আব্বা, তুমিয়েই মোক 'হাৰমণিয়াম'ত আঙুলি বুলাবলৈ শিকাইছিলা। কিন্তু এতিয়া সেই 'হাৰমণিয়াম'ৰ মাত শুনিবলৈ মোৰ কষ্ট হয়। নিয়তিৰ ওচৰত আমি অসহায় মানুহ। আমি যেন একোটা পুতলা নিয়তিৰ হাতৰ। বহুলোকে কয় আৰু মইও বিশ্বাস কৰো - জন্ম, মৃত্যু, বিবাহ তেওঁৰ ইচ্ছা। কিন্তু আজি মই উত্তৰ বিহীন প্ৰশ্ন কিছুমান কঢ়িয়াই ফুৰো। তেওঁৰ এনে কি ইচ্ছা আছিল... যাৰ বাবে সেই ন বছৰীয়া ছোৱালীজনী, ১৮ বছৰীয়া লৰাটো আৰু জীৱন বাটত অকলে

খোজ দিব নজনা মানুহগৰাকীক নিথৰুৱা কৰি দিলে।

উপায় নাই, এইয়াই বাস্তৱ। মৃত্যুৰ দৰে চিৰসত্যক মানিবই লাগিব! সুদীৰ্ঘ ২০ বছৰ পাৰ হ'ল। বহু ঘটনা-দুৰ্ঘটনা ঘটি গ'ল, বহুবোৰ পৰিৱৰ্তন হ'ল। এনেদৰেই জীৱন প্ৰৱাহিত হ'ব। হয়তো, কেতিয়াবা কোনোৱে কাৰোবাক স্মৰণ কৰিব, হয়তো কেতিয়াবা স্মৃতিৰ ধূসৰিত পৃষ্ঠা হৈ ৰ'ব। যান্ত্ৰিক পৃথিৱীত দ্ৰুত পৰিৱৰ্তনে এনেবোৰ কথাক স্থান নিদিব, হয়তো কথাবোৰ আমনিদায়ক হ'ব। যিমানেই যান্ত্ৰিক নহওঁ লাগিলে, 'সম্বন্ধ' কেতিয়াও শেষ হ'ব নোৱাৰে। আমাৰ আপোনজন কাষত নাথাকিলেও স্মৃতিয়ে আমাৰ লগ নেৰে। স্মৃতিৰ দলিচাতেই নিচেই কাষত তেওঁক অনুভৱ কৰিম। আব্বাৰ কথা এবাৰ স্মৰণ কৰিলেই বহুত সলনি হৈ যাব পাৰে। কাৰণ, তেওঁ মোৰ আজীৱন প্ৰেৰণাৰ উৎস।

"Man is Mortal" অৰ্থাৎ, "মানুহ মৰণশীল"- এইষাৰ কথাকে বুকুত বান্ধি লৈ আগবাঢ়ি আজিও গৈ আছো, গৈ থাকিম... হঠাৎ, কেতিয়াবা আৱেগিক হৈ উঠো। অচিন বতাহ এজাকে স্মৃতিৰ সৰাপাত উৰুৱাই আনি মোৰ চৌপাশে সিঁচৰতি কৰি দিয়ে। চকুৰ কোণত নিয়ৰৰ টোপাল দুটাই আমনি কৰে। বাধা দিব নোৱাৰো... অজানিতে কৈ উঠো... "আপোনালৈ সদায়ে মনত পৰে আব্বা!"

— মৰিয়ম আচিফা আহমেদ

স্নাতক ৬ষ্ঠ ষাণ্মাসিক।

# অবিশ্বাস্য সত্য !

* চকু মেলি কোনেও হাঁচিয়াব নোৱাৰে ।
* চিকা এটাই ১২ মিনিটত ছয়ফুট দীঘল সুৰংগ খান্দিব পাৰে ।
* এটা পৰুৱাই নিজৰ ওজনতকৈ ৫০ গুণ বেছি ওজনৰ বস্তু চোঁচৰাই নিব পাৰে ।
* প্ৰায়বোৰ ছোৱালীৰ নাম 'ই' বা 'আ' ধ্বনিৰে শেষ হয় ।
* মানুহৰ শৰীৰৰ মাত্ৰ এটা আংগই নিজে নিজৰ ক্ষতি পূৰণ কৰিব নোৱাৰে । সেই আংগটো হ'ল-'দাঁত।'
* পৃথিৱীৰ সকলো ঠাইতে পোৱা জন্তুটো হ'ল- 'কুকুৰ।'

—.—.—